**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-08-2026
**Time :** 1340 PM

ASSAMESE MIDDAY NSD BULLETIN

# HEADLINES

**:::::::::::::::::::**

ooooo

১। শান্তি, সুস্থিৰতা আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ গণতান্ত্ৰিক দেশ হিচাপে ভাৰত আৰু জাপানৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ সময়ছোৱা জনসাধাৰণকেন্দ্ৰিক কৰি তুলিবলৈ বদ্ধপৰিকৰ বুলি কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ সিং যাদৱে মন্তব্য কৰিছে।

৩। গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি চেন্নাইৰ সমীপৰ কোৱালামত দক্ষিণ মাণ্ডলিক পৰিষদৰ বৈঠক অনুষ্ঠিত হৈছে।

৪। ষোড়শ বিত্ত আয়োগে ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ অসমৰ বাবে এছ ডি আৰ এফ আৰু এছ ডি এম এফৰ অধীনত ৫ হাজাৰ ৮২৫ কোটি টকা আৱণ্টনৰ পৰামৰ্শ আগবঢ়াইছে।

*আৰু*

৫। ভাৰতৰ তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে।

ooooo

নতুন দিল্লীত ভাৰত-জাপান প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ৰ বৈঠক অনুষ্ঠিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্বিনজিৰ' কইজুমিয়ে এই বৈঠকত সহ অধ্যক্ষতা কৰিছে। এই বৈঠকৰ জৰিয়তে ভাৰত আৰু জাপানৰ প্ৰতিৰক্ষা সম্পৰ্ক কৌশলগত বিশ্বাস আৰু সহযোগিতাৰ বিনিময় ভাৰত-প্ৰশান্ত সাগৰীয় অঞ্চলৰ স্থিৰতা আৰু নিৰাপত্তা বৃদ্ধি কৰা তথা সমন্বিত প্ৰচেষ্টাৰ নতুন নতুন ক্ষেত্ৰ বিচাৰি উলিওৱাৰ লক্ষ্য লোৱা হৈছে।

ভাষণৰ আৰম্ভণিতে প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী কইজুমি আৰু ভাৰতলৈ অহা প্ৰতিনিধিসকলক আদৰণি জনায়। মন্ত্ৰী শ্ৰী সিঙে জাপানৰ কুমাম'টোত হোৱা শেহতীয়া ভূমিকম্পই সৃষ্টি কৰা ধ্বংসলীলাৰ বাবে দুখ প্ৰকাশ কৰাৰ লগতে জাপানী জনসাধাৰণ আৰু চৰকাৰৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। শ্ৰী সিঙে কয়, যে ভাৰতে এই ভূমিকম্পত নিহত জাপানৰ জনসাধাৰণৰ প্ৰতি গভীৰ দুখ অনুভৱ কৰিছে। তেওঁ এই কঠিন সময়ত ভাৰতৰ দেশখনৰ প্ৰতি থকা দায়বদ্ধতা আৰু প্ৰতিশ্ৰুতিবদ্ধতাক সোঁৱৰণ কৰি কয়, যে ভাৰতে জাপানলৈ সকলোধৰণৰ সাহায্য আৰু উদ্ধাৰ অভিযানত সমৰ্থন দিছে।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ, পাৰস্পৰিক সন্মান আৰু ঐতিহ্যময় সভ্যতাৰ ভেঁটিত গঢ় লৈ উঠিছে। তেওঁ কয়, যে দুয়োখন দেশে এই সম্পৰ্কৰ অচিৰেই ৭৫ বছৰ উদযাপন কৰিব।

বাইট

ইপিনে, জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী কইজুমিয়ে দেশখনৰ ভূমিকম্পত নিহত লোকসকল আৰু ধ্বংসলীলাৰ প্ৰতি ভাৰতে দেখুওৱা সহমৰ্মিতাৰ বাবে প্ৰশংসা কৰে। তেওঁ লগতে এই কঠিন সময়ত ভাৰতে আগবঢ়োৱা সহায়ৰ কথাও কৃতজ্ঞতাৰে উল্লেখ কৰে। মন্ত্ৰী কইজুমিয়ে কয়, যে ভাৰতৰ এই বদন্যতাই দেশ দুখনৰ মাজত থকা সম্পৰ্কৰ কথা সুন্দৰকৈ দাঙি ধৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ সময়ছোৱা জনসাধাৰণকেন্দ্ৰিক কৰি তুলিবলৈ আৰু মানৱতা প্ৰথম মনোভাৱেৰে আগবঢ়াই নিবলৈ বদ্ধপৰিকৰ বুলি কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ সিং যাদৱে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে নিজৰ এটা প্ৰবন্ধ শ্বেয়াৰ কৰি শ্ৰীযাদৱে আজি কয়, যে ভাৰতে মিছন লাইফৰ নীতিৰ ভিত্তিত বহনক্ষম জীৱনশৈলীৰ প্ৰসাৰৰ লগতে বনানিকৰণ, বনজুই ব্যৱস্থাপনা, দুৰ্যোগৰ সন্মুখীন হোৱাৰ সামৰ্থ বৃদ্ধি আৰু পৰম্পৰাগত জ্ঞান আধাৰিত জলবায়ু অনুকূল ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰি আহিছে। ভাৰতে ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ দায়িত্বত থকাৰ সময়ছোৱাত পৰিৱেশ আৰু আই ধৰিত্ৰীক কেন্দ্ৰবিন্দু হিচাপে লৈ সমূহীয়া বিকাশ, শক্তিশালী উন্নয়ন, উদ্ভাৱন আৰু জ্ঞানৰ আদান-প্ৰদান সুনিশ্চিত কৰিব পৰা ভৱিষ্যতৰ হকে কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি চেন্নাইৰ সমীপৰ  কোৱালামত দক্ষিণ মাণ্ডলিক পৰিষদৰ বৈঠক অনুষ্ঠিত হৈছে। তামিলনাডুৰ মুখ্যমন্ত্ৰী যোচেফ বিজয়, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, কেৰেলাৰ মুখ্যমন্ত্ৰী সতীচন্দ, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰী তথা পুডুচেৰীৰ উপ-ৰাজ্যপালে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছে।

অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰালা, তামিলনাডু আৰু তেলেংগানাৰ লগতে কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰী, আন্দামান নিকোবৰ আৰু লাক্ষাদ্বীপক লৈ দক্ষিণ মাণ্ডলিক পৰিষদ গঠিত হৈছে। উল্লেখযোগ্য যে মাণ্ডলিক পৰিষদৰ বাবে মুখ্য সচিব পৰ্যায়ৰ এখন স্থায়ী সমিতি আছে। ৰাজ্যসমূহে প্ৰস্তাৱ দিয়া বিষয়সমূহ এই সমিতিৰ আগত উত্থাপন কৰা হয় আৰু পাছত মাণ্ডলিক পৰিষদৰ বৈঠকত আলোচনাৰ বাবে গ্ৰহণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ ভিত্তিত টীম ভাৰতৰ দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু এই পৰিষদৰ বৈঠকে এইক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব।  বৈঠকত আন্তঃৰাজ্যিক সহযোগিতা, অৰ্থনৈতিক বিকাশ, ঔদ্যোগিক বিনিয়োগ, অংশীদাৰিত্ব শক্তিশালীকৰণ, আন্তঃগাঁথনি উন্নয়ন, জলসম্পদ বিনিময়, শিক্ষা, স্বাস্থ্যসেৱা, তথ্য প্ৰযুক্তি, দুৰ্যোগ ব্যৱস্থাপনা, অপৰাধ ৰোধ আৰু সীমা বিবাদ বিষয়ত আলোচনা কৰা হ'ব।

০০০০০

গ্ৰামোন্নয়ন দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বিহাৰৰ ৰাজধানী পাটনাত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ২ লাখ ৩৫ হাজাৰ বাসগৃহৰ চাবিকাঠি হিতাধিকাৰীক অৰ্পণ কৰে। মন্ত্ৰীগৰাকীয়ে পাটনাৰ বাপু সভাগৃহত আয়োজিত অনুষ্ঠানত নতুনকৈ বাছনি কৰা হিতাধিকাৰীসকলৰ মাজত আৱণ্টন পত্ৰও বিতৰণ কৰে। অনুষ্ঠানৰ বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী, উপ-মুখ্যমন্ত্ৰী বিজয় কুমাৰ চৌধুৰী, বিজেন্দ্ৰ প্ৰসাদ যাদৱ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শ্ৰৱণ কুমাৰ উপস্থিত থাকে।

০০০০০

যোড়শ বিত্ত আয়োগে ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বিত্তীয় বৰ্ষলৈ অসমৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি, এছ ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি, এছ ডি এম এফৰ অধীনত মুঠ ৫ হাজাৰ ৮২৫ কোটি টকা আৱণ্টনৰ পৰামৰ্শ আগবঢ়াইছে। এই ধনৰাশিৰ ৪ হাজাৰ ৬৬০ কোটি টকা এছ ডি আৰ এফৰ অধীনত আৰু বাকী এহেজাৰ ১৬৫ এছ ডি এম এফৰ অধীনত আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। যোড়শ বিত্ত আয়োগৰ পৰামৰ্শ অনুযায়ী ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ৮৪৩ কোটি টকা, ২০২৭-২৮ বিত্তীয় বৰ্ষৰ বাবে ৮৮৫ কোটি টকা, ২০২৮-২৯ বিত্তীয় বৰ্ষৰ বাবে ৯২৯ কোটি টকা, ২০২৯-৩০ বিত্তীয় বৰ্ষৰ বাবে ৯৭৫ কোটি টকা আৰু ২০৩০-৩১ বিত্তীয় বৰ্ষৰ বাবে এহেজাৰ ২৮ কোটি টকা আৱণ্টন কৰা হৈছে। এছ ডি আৰ এফৰ অধীনত আৱণ্টিত ৪ হাজাৰ ৬৬০ কোটি টকাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে ৪ হাজাৰ ১৯৪

কোটি টকা আৰু ৰাজ্য চৰকাৰে ৪৬৬ কোটি টকাৰ যোগান ধৰিব। একেদৰে এছ্ ডি এম এফৰ অধীনত অসমলৈ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ২১১ কোটি টকা, ২০২৭-২৮ বিত্তীয় বৰ্ষৰ বাবে ২২২ কোটি টকা, ২০২৮-২৯ বিত্তীয় বৰ্ষৰ বাবে ২৩৩ কোটি টকা, ২০২৯-৩০ বিত্তীয় বৰ্ষৰ বাবে ২৪৫ কোটি টকা আৰু ২০৩০-৩১ বিত্তীয় বৰ্ষৰ বাবে ২৫৪ কোটি টকা আৱণ্টন কৰা হৈছে। অসমৰ দৰে বান প্ৰৱণ ৰাজ্যৰ বাবে এছ্ ডি আৰ এফ অতিকৈ গুৰুত্বপূৰ্ণ। সাধাৰণতে এই পুঁজিৰ পৰাই বান আৰু অন্য দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকৰ নিকটত্মীয়লৈ ক্ষতিপূৰণ আদায় দিয়া হয়। ইয়াৰ উপৰি উদ্ধাৰ আৰু পুনৰসংস্থাপনৰ ধনৰ ৰাশিও এই পুঁজিৰ পৰা ব্যয় কৰা হয়।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ আজি ৮২ সংখ্যক জন্মবাৰ্ষিকী। ১৯৮৪ৰ পৰা ১৯৮৯ চনলৈ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰা ৰাজীৱ গান্ধীয়ে ১৯৪৪ চনৰ আজিৰ দিনটোতে জন্মগ্ৰহণ কৰিছিল।  উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন্মবাৰ্ষিকী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰ আৰু সমাজ জীৱনলৈ আগবঢ়োৱা  অৱদানৰ কথা সোঁৱৰে।

ooooo

ভাৰতৰ তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ডাবলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ ৰিম ইৱানাগা আৰু কী নাকানিছিৰ যুটীটোক পোপনটীয়াকৈ ২১-১৬, ২১-১২ গেমত পৰাস্ত কৰে। প্ৰাক্তন বিশ্ব চেম্পিয়ন পি ভি সিন্ধুকে ধৰি দেশৰ কেইবাগৰাকীও আগশাৰীৰ খেলুৱৈ আজি নিজ নিজ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। নৱম বাছনিপ্ৰাপ্ত সিন্ধু মহিলাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ ৱাং ঝি য়িৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে আয়ুষ চেট্টী পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইণ্ডোনেছিয়াৰ একাদশ বাছনিপ্ৰাপ্ত অল্‌ভী ফাৰহানৰ সন্মুখীন হ'ব। পুৰুষৰ ডাবলছত চতুৰ্থ বাছনিপ্ৰাপ্ত সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো জুনেইদি আৰিফ আৰু ৰয় কিং য়াকৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মিক্সড ডাবলছত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰষ্টোৰ যুটীটো চীনৰ গুঅ' শ্বিন ৱা আৰু চেনফাং হুইৰ সন্মুখীন হ'ব।

ooooo

সমাপ্ত